# ১৮৫৭ চনৰ ভাৰতৰ বিদ্ৰোহ

**অধ্যায় – ৫**

## ইতিহাস

**পাঠভিত্তিক অনুশীলনীৰ প্ৰশ্ন আৰু উত্তৰ**

**প্ৰশ্ন ১। অতি চমু উত্তৰ দিয়া**

(ক) ভাৰতত ইংৰাজ কোম্পানীৰ শাসন কোন চনৰপৰা কোন চনলৈকে বৰ্তি আছিল ?

**উত্তৰ :-** ভাৰতত ইংৰাজ কোম্পানীৰ শাসন ১৭৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে বৰ্তি আছিল।

(খ) ভাস্ক'ডাগামাই ভাৰতত প্ৰথমে কোন বন্দৰত উপস্থিত হৈছিল ?

**উত্তৰ :-** ভাস্ক ডাগামাই উত্তমাশা অন্তৰীপ অতিক্ৰম কৰি ভাৰত মহাসাগবেদি মালৱাৰ উপকূলৰ কালিকট বন্দৰত উপস্থিত হৈছিল।

(গ) পলাশী যুদ্ধৰ সময়ত বংগৰ নৱাব কোন আছিল ?

**উত্তৰ :-** পালাশী যুদ্ধৰ সময়ত বংগৰ নৱাব আছিল চিৰাজ-উদ-দৌলা।

(ঘ) ভাৰতলৈ বেহা-বেপাৰ কৰিবলৈ অহা ইংৰাজ কোম্পানীটোৱে কাৰপৰা চনদ লাভ কৰিছিল ?

**উত্তৰ :-** ভাৰতলৈ হো-বেপাৰ কৰিবলৈ অহা ইংৰাজ কোম্পানীটোৱে মোগল সম্ৰাট দ্বিতীয় ছাহ আলমৰপৰা চনদ লাভ কৰিছিল।

(ঙ) ১৮৫৭ চনত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল কোন আছিল ?

**উত্তৰ :-** ১৮৫৭ চনত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল আছিল লৰ্ড ডেলহাউছি।

(চ) ১৮৫৭ চনত বিদ্ৰোহীসকলে কাক হিন্দুস্তানৰ সম্ৰাট বুলি ঘোষণা কৰে।

**উত্তৰ :-** ১৮৫৭ চনত বিদ্ৰোহীসকলে মোগল সম্ৰাট দ্বিতীয় বাহাদুৰ ছাহক হিন্দুস্তানৰ সম্ৰাট বুলি ঘোষণা কৰে।

(ছ) ১৮৫৭ চনৰ প্ৰথম বিদ্ৰোহৰ প্ৰথম ছহিদ কোন আছিল ?

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰথম ছহিদ আছিল মংগল পাণ্ডে।

(জ) ভাৰতৰ প্ৰথম ভাইচৰয় কোন আছিল ?

**উত্তৰ :-** ভাৰতৰ প্ৰথম ভাইচৰয় আছিল লৰ্ড কেনিঙ।

(ঝ) সম্ৰাট বাহাদুৰ ছাহৰ ক'ত মৃত্যু হৈছিল ?

**উত্তৰ :-** সম্ৰাট বাহাদুৰ ছাহৰ মৃত্যু হৈছিল ৰেংগুণত।

(ঞ) কোনে ১৮৫৭ চনৰ বিদ্ৰোহক প্ৰথম স্বাধীনতাৰ যুদ্ধ বুলি অভিহিত কৰিছিল ?

**উত্তৰ :-** অসমৰ খ্যাতনামা সাহিত্যিক আৰু বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই ১৮৫৭ চনৰ বিদ্ৰোহক প্ৰথম স্বাধীনতাৰ যুদ্ধ বুলি অভিহিত কৰিছিল।

(ট) ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ নেতৃত্ব কোনে বহন কৰিছিল ?

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ নেতৃত্ব বহন কৰিছিল মণিৰাম দেৱান আৰু তেওঁৰ সহযোগীসকলে।

(ঠ) মণিৰাম দেৱানৰ লগত ফাঁচি দিয়া আনজন লোক কোন আছিল ?

**উত্তৰ :-** মণিৰাম দেৱানৰ লগত ফাঁচি দিয়া আনজন লোক হৈছে পিয়লী বৰুৱা।

(ড) ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ কাক ৰজা পতাৰ সিদ্ধান্ত কৰা হৈছিল ?

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহত চাৰিং ৰজা কন্দপেশ্বৰ সিংহক অসমৰ ৰজা পতাৰ সিদ্ধান্ত কৰা হৈছিল।

## প্ৰশ্ন ২। চমুটোকা লিখা

(ক) বক্সাৰ যুদ্ধ

(খ) ডেলহাউছিৰ ৰাজ্যবিস্তাৰ নীতি

(গ) এনফিল্ড ৰাইফল

(ঘ) ৰাণী লক্ষ্মীবাঈ

(ঙ) কোৱৰ সিং আৰু

(চ) অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰস্তুতি।

**উত্তৰ :- (ক) বক্সাৰ যুদ্ধ :-** ১৮৫৭ খ্ৰীঃত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ এজন প্ৰাক্তন কৰ্মচাৰী ৰবাৰ্ট ক্লাইৱে বংগৰ বিখ্যাত নৱাব চিৰাজ-উদ-দৌলাক পলাশীৰ যুদ্ধত পৰাজিত কৰি ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ পাতনি মেলে। অতি কম সময়ৰ

ভিতৰতে ইংৰাজসকল ভাৰতৰ এক অপ্ৰতিদ্বন্দ্বী শক্তিত পৰিণত হয়। পলাশী যুদ্ধৰ পিছত বংগৰ নৱাব মিৰকাছিম, অযোধ্যাৰ নৱাব চুজা-উদ-দৌলা আৰু মোগল সম্ৰাট দিতীয় ছাহ আলমে ১৭৬৪ চনৰ অক্টোবৰ মাহত সন্মিলিতভাবে বিহাৰৰ সীমান্তৰ বক্সাৰ নামে ঠাইত ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধত প্ৰবৃত্ত হয়। এই যুদ্ধত এওঁলোক বিফল হয়। ইংবাজ কোম্পানীয়ে মোগল সম্ৰাটৰপৰা বংগ, বিহাৰ আৰু উৰিষ্যাৰ দেৱানী লাভ কৰি ব্ৰিটিছ কোম্পানীৰ শাসন সুদৃঢ় কৰে।

**(খ) ডেলহাউছিৰ ৰাজ্যবিস্তাৰ নীতি :-** লৰ্ড ডেলহাউছি ভাৰতৰ গৱৰ্ণৰ জেনেৰেল আছিল। শাসনভাৰ গ্ৰহণ কৰি তেওঁ ব্ৰিটিছ সাম্ৰাজ্য বিস্তাৰ কৰাত ব্ৰতী হ'ল। স্বত্ব-বিলোপ নীতিৰ নতুন ব্যাখ্যা দাঙি ধৰি তেওঁ জধে-মধে সেই নীতি কাৰ্যকৰী কৰি সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ ধৰিলে। লৰ্ড ডেলহাউছিয়ে পোন প্ৰথমে চাতাবা ৰাজ্যৰ ক্ষেত্ৰত এই নীতি প্ৰয়োগ কৰে। চাতাৰাখন ব্ৰিটিছ চৰকাৰে সৃষ্টি কৰিছিল আৰু সেই ৰাজ্যৰ ৰজা শাহাজীৰ মৃত্যু ঘটাত তেওঁৰ তোলনীয়া

পুতেকৰ দাবী অস্বীকাৰ কৰি ৰাজ্যখন ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰে। ইয়াৰ পিছত স্বত্ব-বিলোপ নীতিৰ সহায়ত নাগপুৰ, সম্বলপুৰ, ঝান্সী, জৈৎপুৰ, ভগৎ, উদয়পুৰ আৰু কৰৌলি ৰাজ্য দখল কৰে। ইয়াৰ পিছত তেওঁ ৰাজকীয় পদ মৰ্যাদা, পেন্সন আদিৰ ক্ষেত্ৰত এই নীতি প্ৰয়োগ কৰে। ডেলহাউছিৰ অবিবেচক নীতিয়ে সমগ্ৰ ভাৰততে এক প্ৰৱল

উত্তেজনাৰ সৃষ্টি কৰে। তেওঁ দেশলৈ প্ৰত্যাগমন কৰাৰ পিছতে ভাৰতত মহাবিদ্ৰোহৰ সূচনা হয়।

**(গ) এনফিল্ড ৰাইফল :-** ভাৰতত চিপাহী বিদ্ৰোহ হোৱাৰ এক উল্লেখযোগ্য কাৰণ হৈছে এনফিল্ড ৰাইফল আৰু তাৰ কাৰ্টিজ বা গুলীবোৰ। ইউৰোপত সংঘটিত হোৱা ক্ৰিমিয়াৰ যুদ্ধত ইংৰাজ সৈনিকে পোন প্ৰথমে এই ৰাইফল ব্যৱহাৰ কৰে। ১৮৫৬ চনৰ শেষৰফালে ভাৰতত ইয়াক প্ৰচলন কৰা হয়। ৰাইফলত ব্যৱহাৰ কৰাৰ আগেয়ে গুলীবোৰ দাঁতেৰে কামুৰি কিছু অংশ এৰুৱাই বন্দুকৰ নলীত ভৰাব লগা হৈছিল। সেই সময়ত এটা বাতৰি প্ৰচাৰিত হৈছিল যে সেই গুলীবোৰৰ এৰুৱাব লগা অংশটোত গৰু আৰু গাহৰিৰ চৰ্বি সানি যোৱা আছে। এই খবৰটো বিয়পি পৰাত চিপাহীসকলৰ মনত তীব্ৰ উত্তেজনাৰ সৃষ্টি হ'ল। হিন্দুৰ বাবে গৰু আৰু মুছলমানৰ বাবে গাহৰি অখাদ্য। গতিকে ব্ৰিটিছ সকলে ধৰ্ম নষ্ট কৰিবলৈ সেই ব্যৱস্থা কৰা বুলি চিপাহীসকলৰ মনত ভাব হ'ল। কোনো কোনো ব্ৰিটিছ বিষয়াই চিপাহীসকলৰ অসন্তোষৰ কথা জানি আন উপায়েৰে গুলীবোৰ মসৃণ কৰি বন্দুকৰ নলীত ভৰাবলৈ অনুমতি দিলে কিন্তু গুলীবোৰত গৰু আৰু গাহৰিৰ চৰ্বি ব্যৱহাৰ কৰা হৈছে নে নাই সেই প্ৰশ্ন সমাধানৰ বাবে কোনো চেষ্টা নকৰিলে।

**(ঘ) ৰাণী লক্ষ্মীবাঈ :-** ৰাণী লক্ষ্মীবাঈ মধ্য ভাৰতৰ বিদ্ৰোহৰ প্ৰধান নেত্ৰী আছিল। এওঁ ঝালীৰ ৰজা গংগাধৰ ৰাওৰ বিধৱা পত্নী আছিল। স্বামীৰ মৃত্যুৰ পাছত লৰ্ড ডেলহাউছিয়ে তেওঁৰ তোলনীয়া পুতেকৰ অধিকাৰ অস্বীকাৰ কৰি ঝাসী ৰাজ্য ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰে। এই কাৰ্যত ৰাণী অসন্তুষ্ট হৈ বিদ্ৰোহ ঘোষণা কৰে৷ এই কথা জানিব পাৰি ব্ৰিটিছ সেনাপতি ছাৰ হিউ ৰ'জে ১৮৫৮ চনৰ মাৰ্চ মাহত ঝালীৰ দূৰ্গ অৱৰোধ কৰে। ৰাণীয়ে দুৰ্গ ৰক্ষা কৰিবলৈ অসমৰ্থ হৈ কেইগৰাকীমান সহচৰৰ সৈতে কল্পিলৈ  ৰাওনা হয়।

কল্পিত ইতিমধ্যে ব্ৰিটিছৰ বিৰোধিতা কৰিবৰ বাবে তাঁতীয়া টুপী, ৰাও চাহেব আৰু বান্দৰ নৱাব সমবেত হৈছিল। এই যুদ্ধত ভাৰতীয় বাহিনী পৰাজিত হয়। ইয়াৰ পিছত পুনৰ তেওঁলোক সিন্ধিয়াৰ এক বাহিনী হস্তগত কৰি ব্ৰিটিছৰ বিৰুদ্ধে থিয় দিয়ে। হিউ ৰ'জৰ সৈতে হোৱা যুদ্ধত ৰাণীয়ে আঘাতপ্ৰাপ্ত হয় আৰু পিছদিনা ফুলবাগৰ এটা নলাত তেওঁৰ মৃতদেহ পোৱা যায়। এওঁৰ মৃত্যুত বিদ্ৰোহীসকলৰ মনোবল ভাঙি পৰে। ইতিহাসৰ পাতত এইগৰাকী যুজাকৰ নাম সোণালী আখৰেৰে লিখা থাকিব। বিপক্ষৰ সেনাপতি হিউ ৰ'জে ৰাণীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁক বিদ্ৰোহীসকলৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বাধিক সাহসী সমৰ নেত্ৰী বুলি অভিহিত কৰিছে।

**(ঙ) কোৱৰ সিং :-** ১৮৫৭ চনৰ ভাৰত বিদ্ৰোহৰ সময়ত বিহাৰৰ নেতৃত্ব দিছিল কোৱৰ সিঙে। এওঁ জগদীশপুৰৰ প্ৰাক্তন জমিদাৰ আছিল। বিহাৰৰ দানাপুৰৰ চিপাহীসকলে তেওঁৰ নেতৃত্বত বিদ্ৰোহ ঘোষণা কৰি সমবেত হয়। এওঁৰ বিশেষ সামৰিক অভিজ্ঞতা নাছিল কিন্তু ব্ৰিটিছৰ বিৰুদ্ধে হোৱা যুদ্ধত নিজৰ সামৰিক প্ৰতিভাৰ পৰিচয় দিছিল। তেওঁৰ

নেতৃত্বত বিহাৰৰ কিছু সংখ্যক প্ৰজায়ো বিদ্ৰোহত যোগ দিছিল। কেপ্তেইন জনবাৰৰ অধীনত এটা ব্ৰিটিছ ফৌজ কোৱৰ সিংৰ বিৰুদ্ধে পঠোৱা হয়। কিন্তু কোঁৱৰ বাহিনীৰ হাতত এওঁলোক পৰাজিত হয় পাছত ভিনছেন্ট আয়াৰে আৰাৰ যুদ্ধত তেওঁক পৰাজিত কৰি বিহাৰৰপৰা খেদি পঠিয়ায়। তেওঁ পুনৰ ব্ৰিটিছৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাত লিপ্ত হৈ ১৮৫৮ চনত মৃত্যুমুখত পৰে।

**(চ) অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰস্তুতি :-** ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যত চিপাহী বিদ্ৰোহে গা কৰি উঠিছিল যদিও সৰ্বভাৰতীয় ক্ষেত্ৰত এই বিদ্ৰোহৰ প্ৰভাৱৰ ‘মাত্ৰা সীমিত আছিল।

ব্ৰিটিছসকল অসমলৈ অহাৰ আগতে আহোমসকলে ৰাজত্ব কৰিছিল। আহোমসকলৰ ৰাজত্বৰ অন্ত পেলাই ইয়াণ্ডাবু সন্ধিৰ স্বৰ্ত অনুযায়ী ইংৰাজসকলে অসম অধিকাৰ কৰে। ইয়াণ্ডাবু সন্ধিৰ তিনি বছৰৰ ভিতৰতে অসমত ইংৰাজৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ আৰম্ভ হয়। ইংৰাজে অসমত শাসন কৰাত অসমীয়া মানুহবোৰ অসন্তুষ্ট হৈ পৰে। পাইক প্ৰথা তুলি দিয়াৰ বাবে সম্ভ্ৰান্ত বংশ লোকসকল অসন্তুষ্ট হয়।

১৮২৬ খ্ৰীঃত গোমধৰ নামে আহোম কোৱৰ এজনে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি নিজকে স্বাধীন বুলি ঘোষণা কৰে। ইংৰাজে কঠোৰ হাতেৰে ইয়াক দমন কৰি গোমধৰক সাত বছৰ কাৰাদণ্ড দিয়ে। ইয়াৰ পিছত ১৮২৯ আৰু ১৮৩০ চনতো দুটা বিদ্ৰোহৰ সূচনা হয়। কিন্তু সেই বিদ্ৰোহো বিফল হয়। ইয়াৰ পিছত ৰাইজক সন্তুষ্ট কৰিবলৈ ইংৰাজ চৰকাৰে পুৰন্দৰ সিংহ নামৰ এজন ৰাজবংশৰ লোকক বছৰেকত ৫০,০০০ দিয়াৰ স্বৰ্তত উজনি অসমৰ ৰজা বুলি স্বীকৃতি দিয়ে। কিন্তু তেওঁৰ ৰাজত্বৰ তৃতীয় বছৰত তেওঁৰ অযোগ্যতা প্ৰতিপন্ন কৰি গাদীচ্যুত কৰে আৰু ৰাজ্যখণ্ড ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে।

অসমত ব্ৰিটিছ সাম্ৰাজ্য প্ৰতিষ্ঠা হোৱাত সকলো লোকেই কম-বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হয়। উচ্চ-নীচৰ ভেদাভেদ নোহোৱা হয়৷ চৰকাৰী কাম-কাজ চলাবলৈ অন্য ঠাইৰপৰা অহা লোকে অসমদেশ ভৰি পৰে। চৰকাৰে মাটি-বাৰীৰ খাজনা বৃদ্ধি কৰে আৰু কানিৰ প্ৰচলন কৰে। ১৮৫৩ চনত অসম দেশৰ আৰ্থ-সামাজিক অৱস্থাৰ বুজ ল’বলৈ কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰক এন্দুজ জন মফৰ্ট মিলছ অসমলৈ আহে। অসমৰ বিভিন্নজনে এওঁৰ ওচৰত বিভিন্ন বিষয়ক প্ৰতিবেদন দাখিল কৰে। ১৮৫৩ চনৰ শেষৰফালে প্ৰকাশ পোৱা মিলছৰ প্ৰতিবেদনত সমকালীন অসম দেশৰ সুন্দৰ প্ৰতিচ্ছবি প্ৰকাশ পায়। ইয়াৰ কেইবছৰমান পিছতেই ভাৰতৰ বিভিন্ন ঠাইত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হয়। অসমত এই বিদ্ৰোহৰ নেতৃত্ব লয় মণিৰাম দেৱান আৰু তেওঁৰ সহযোগীসকলে।

## প্ৰশ্ন ৩। বচনাধৰ্মী প্ৰশ্ন

### (ক) ১৮৫৭ চনৰ বিদ্ৰোহক স্বাধীনতা যুদ্ধ বুলি ক'ব পাৰিনে তোমাৰ নিজৰ মতামত ব্যক্ত কৰা।

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহ ভাৰতীয়সকলৰ বিদ্ৰোহ ইতিহাসৰ এক প্ৰসিদ্ধ ঘটনা। ভাৰতীয় লোকসকলে ব্ৰিটিছ শাসনত অতিষ্ঠ হৈ ব্ৰিটিছৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰি এওঁলোকৰ ভেটি কঁপাই তুলিছিল। সেইবাবে এই বিদ্ৰোহক স্বাধীনতা যুদ্ধৰ আৰম্ভণি বুলি ক'ব পাৰি।

পাশ্চাত্যৰপৰা ভাৰতলৈ আহিবপৰা পোনপটীয়া জলপথ আৱিষ্কাৰৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানী নামৰ ইংৰাজ বণিকসকলে বেপাৰ-বাণিজ্য কৰিবলৈ ভাৰতলৈ আহে। ভাৰতীয় ৰজাসকলৰ মাজত মিত্ৰতা নথকাৰ সুযোগলৈ বণিকসকলে ইয়াত উপনিবেশিক সাম্ৰাজ্য স্থাপন কৰিবলৈ মন মেলে। সেই উদ্দেশ্যে ১৭৫৭ চনত বংগৰ নৱাব চিৰাজ-উদ-দৌলাৰ লগত পলাশীৰ যুদ্ধত প্ৰবৃত্ত হয়। যুদ্ধত চিৰাজ-উদ-দৌলা পৰাজিত হয় আৰু ভাৰতত ব্ৰিটিছ সাম্ৰাজ্য প্ৰতিষ্ঠা হয়। লাহে লাহে সমগ্ৰ ভাৰততে ব্ৰিটিছ সাম্ৰাজ্য প্ৰতিষ্ঠা হ'ল। প্ৰথম অৱস্থাত তেওঁলোকৰ কাৰ্যকলাপ চকুত পৰা ধৰণৰ নাছিল যদিও ঊনবিংশ শতিকাৰ দ্বিতীয় দহক মানৰপৰা তেওঁলোকে ভাৰতৰ শাসনৰ ক্ষেত্ৰত নিজৰ কৰ্তৃত্ব স্থাপনৰ প্ৰচেষ্টা চলায়। পোন প্ৰথমে গৱৰ্ণৰ জেনেৰেল লৰ্ড হেষ্টিংছে মোগল সম্ৰাটৰ সৈতে একে মৰ্যাদা দাবী কৰে। সেই দাবী গ্ৰহণীয় নহ'ল যদিও ৰজাসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ইংৰাজসকলে অধিক শক্তি সঞ্চয় কৰিলে। ১৮৩৫ খ্ৰীঃত কোম্পানীৰ মুদ্ৰাৰপৰা মোগল সম্ৰাটৰ নামটো বাদ দিয়া হ'ল আৰু ভাৰতত পাৰ্চী ভাষাৰ সলনি ইংৰাজী ভাষাৰ প্ৰচলন কৰা হ'ল। লৰ্ড ডেলহাউছিৰ সময়ৰপৰা ভাৰতৰ পৰিস্থিতি অধিক জটিল হৈ পৰে। ভাৰতৰ প্ৰকৃত শাসক যে ইংৰাজসকল সেই বিষয়ে লোকসকল জ্ঞাত হৈ পৰিল আৰু তাৰ ফলস্বৰূপে ১৮৫৭ চনত ভাৰতৰ সকলো ঠাইতে বিদ্ৰোহে গা কৰি উঠিল। গতিকে ১৮৫৭ চনৰ এই বিদ্ৰোহক ভাৰতৰ স্বাধীনতা যুদ্ধৰ সূত্ৰপাত হোৱা বুলি ক'ব পাৰি।

### (খ) ১৮৫৭ চনৰ ভাৰত বিদ্ৰোহৰ কাৰণসমূহ চমুকৈ বৰ্ণনা কৰা।

**উত্তৰ :-** ১৮৫৭ চনত চিপাহী বিদ্ৰোহ আৰম্ভ হয়। এই বিদ্ৰোহৰ কাৰণবোৰ চাৰিটা ভাগত ভাগ কৰিব পাৰি ; যেনে—ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ধৰ্মীয় আৰু সামৰিক।

**(১) ৰাজনৈতিক কাৰণ :-** লৰ্ড ডেলহাউদিয়ে অনুসৰণ কৰা স্বত্ব-বিলোপ নীতিয়েই এই বিদ্ৰোহৰ প্ৰধান ৰাজনৈতিক কাৰণ। স্বত্ব-বিলোপ নীতি অৱলম্বন কৰি তেওঁ চাতৰা, ঝান্সি, নাগপুৰ, বুন্দেলখণ্ড, চম্বলপুৰ আদি ৰাজ্য ব্ৰিটিছ সাম্ৰাজ্যৰ ভিতৰুৱা কৰিছিল।

ডেলহাউছিৰ এই নীতিয়ে ৰাজ্য হেৰুৱা ৰজাসকলক অসন্তুষ্ট কৰিছিল। ইয়াৰ ফলস্বৰূপে ইংৰাজ শাসনৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলিছিল।

**(২) অৰ্থনৈতিক কাৰণ :-** ৰজা আৰু জমিদাৰৰ তলত থকা ৰাজ্যবোৰক ইংৰাজ সাম্ৰাজ্যত চামিল কৰাত এই ৰজা আৰু জমিদাৰসকল অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছিল। বিদ্ৰোহ আৰম্ভ হোৱাৰ পাঁচ বছৰ আগতে ডেলহাউছিয়ে নিয়োগ কৰা ইমান কমিছনে দাক্ষিণাত্যত প্ৰায় কুৰি হেজাৰ জমিদাৰী বাজেয়াপ্ত কৰিছিল। ফলত তেওঁলোকৰ মাজত অসন্তুষ্টি দেখা দিছিল।

**(৩) সামাজিক কাৰণ :-** ইংৰাজী শিক্ষাৰ প্ৰচলন, ৰেল আৰু টেলিগ্ৰাফ প্ৰচলন, সতীদাহ আৰু শিশুবধ প্ৰথা তুলি দিয়া কাম, বিধৱা-বিবাহ প্ৰচলন আৰু বাল্যবিধৱা বন্ধ কৰাৰ চেষ্টা মিছনাৰীসকলৰ কাৰ্যকলাপ আদিয়ে নৈষ্ঠিক মানুহৰ মনত কিছুমানৰ একুৱা ভাৱৰ সৃষ্টি কৰিছিল যে ইংৰাজসকলে ভাৰতীয়সকলৰ যুগমীয়া সমাজ-সংস্কৃতি নাশ কৰি সকলো ভাৰতীয়কে খ্ৰীষ্টান কৰাৰ চেষ্টা কৰিছে। ফলত এইবোৰে কামে সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।

**(৪) ধৰ্মীয় আৰু সামৰিক কাৰণ :-**

(ক) চিপাহীসকলক চৰকাৰে ঘনাই বিদেশৰ যুদ্ধত নিয়োগ কৰিছিল। এই কামত চিপাহীসকল অসন্তুষ্ট হৈ পৰিছিল।

(খ) বংগদেশত থকা চিপাহীসকলৰ মাজত ক্ৰমান্বয়ে শৃঙ্খলা নাইকীয়া হৈ গৈছিল। ৭০ বছৰীয়া লোককো বয়সৰ প্ৰতি লক্ষ্য নাৰাখি সেনাবাহিনীৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। এনেবোৰ কাম চিপাহীসকলক অসন্তুষ্ট কৰিছিল।

(গ) লৰ্ড কেনিঙৰ শাসনকালত ৰাজ্যৰ ভিতৰে বাহিৰে সকলো ঠাইত যুদ্ধ কৰিবলৈ বাধ্য কৰাৰ কাৰণে এখন আইন প্ৰণয়ন কৰা হৈছিল। এই আইনে চিপাহীসকলৰ মনত অসন্তুষ্টিৰ মাত্ৰা বৃদ্ধি কৰিছিল।

(ঘ) এনফিল্ড ৰাইফেলৰ প্ৰৱৰ্তনে চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণ হৈ উঠিছিল। চিপাহী বিদ্ৰোহৰপৰা কিছুমান উল্লেখযোগ্য পৰিৱৰ্তন হয়—

(১) প্ৰথমতে, এই বিদ্ৰোহৰ ফলত ভাৰতবৰ্ষত কোম্পানীৰ শাসনৰ সমাপ্তি ঘটে আৰু ভাৰতবৰ্ষৰ শাসনভাৰ ইংৰাজ চৰকাৰৰ হাতলৈ যায়।

(২) সেই সময়ৰপৰা ইংৰাজ চৰকাৰে তেওঁলোকৰ সম্প্ৰসাৰণমূলক নীতি বন্ধ কৰে।

(৩) ইয়াৰ ফলত কোম্পানীৰ দিনত থকা কেন্দ্ৰীয়কৰণ নীতিৰ পৰিৱৰ্তে শাসনক্ষেত্ৰত বিকেন্দ্ৰীকৰণ কৰা হয়।

(৪) চিপাহী বিদ্ৰোহৰ ফলত ভাৰতীয় আৰু ইংৰাজৰ মাজত সন্দেহৰ বীজ। ৰোপিত হয় আৰু উভয়ে উভয়ক ভয়ৰ চকুৰে চাবলৈ আৰম্ভ কৰে।

(৫) এই বিদ্ৰোহৰ ফলত ভাৰতীয় ৰাজনীতিত চৰমপন্থী ভাৱধাৰাৰ সূত্ৰপাত হয়।

**(গ) সাতাৱন চনৰ বিদ্ৰোহত বেগম হজৰত মহল আৰু ৰাণী লক্ষ্মীবাঈয়ে কি ভূমিকা গ্ৰহণ কৰিছিল, সেই বিষয়ে আলোচনা কৰা।**

**উত্তৰ :-** সাতাৱন চনৰ বিদ্ৰোহত বেগম হজৰত মহল আৰু ৰাণী লক্ষ্মীবাঈয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। বেগম হজৰত মহল অযোধ্যাৰ নৱাব ৱাজিদ আলীৰ পত্নী আছিল। হজৰত মহলে নিজৰ নুমলীয়া পুতেক ব্ৰিজছ কাদিৰক নৱাব হিচাপে প্ৰতিষ্ঠা কৰি তেওঁৰ হৈ ৰাজকাৰ্য পৰিচালনা কৰিবলৈ ধৰে। ইতিমধ্যে অযোধ্যাৰ ৰাজধানী লক্ষ্ণৌ বিদ্ৰোহৰ ঘাটিৰূপে পৰিগণিত হয়। লক্ষ্ণৌৰ পাছত অযোধ্যাৰ এক ব্যাপক অঞ্চলত অশান্তিৰ সৃষ্টি হয়। ইতিমধ্যে ইউৰোপীয় লোকসকলে নিৰাপত্তাৰ বাবে লক্ষ্ণৌ বেচিডেন্সিত আশ্ৰয় লবলগীয়া হয়। বেগম হজৰত মহলে ইংৰাজৰ হাতৰপৰা ৰেচিডেন্সি উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি বিফল হয়। এই ক্ষেত্ৰত ফৈজাবাদৰ মৌলৱী আহমদ উল্লাশ্বাহে বেগমলৈ সহায়ৰ হাত আগবঢ়ায়।

লক্ষ্ণৌ পতনৰ পাছত বেগম হজৰত মহল আৰু মৌলবী গৰাকীয়ে অত তত ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধ কৰি পৰাজিত হয়। ১৮৫৮ চনৰ জুন মাহত মৌলবী গৰাকীৰ মৃত্যু হোৱাত বেগম হজৰত মহল অকলশৰীয়া হৈ পৰে। অৱশেষত হজৰত মহলে উপায়হীন হৈ নেপালত আশ্ৰয় লবলগাত পৰে। মধ্য ভাৰতৰ আন এগৰাকী বিদ্ৰোহী নেত্ৰী হৈছে ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ।

এই ঝালীৰ ৰজা গংগাধৰ ৰাওৰ বিধৱা পত্নী আছিল। স্বামীৰ মৃত্যুৰ পাছত লৰ্ড ডেলহাউছিয়ে তেওঁৰ তোলনীয়া পুতেকৰ অধিকাৰ অস্বীকাৰ কৰি ৰাজ্যখন ব্ৰিটিছ সাম্ৰাজ্যত চামিল কৰে। এই কথাত অসন্তুষ্ট হৈ ৰাণীয়ে বিদ্ৰোহ আৰম্ভ কৰে। ৰাণীৰ বিদ্ৰোহী মনোভাৱৰ বিষয়ে জানিব পাৰি ব্ৰিটিছ সেনাপতি ছাৰ হিউৰ'জে ১৮৫৭ চনৰ মাৰ্চ মাহত ঝান্সীৰ দুৰ্গ অৱৰোধ কৰে। ৰাণীয়ে দুৰ্গ ৰক্ষা কৰা অসম্ভৱ বুলি জানিব পাৰি কেইজনমান সহচৰৰ সৈতে কল্পিলৈ



(ঝাঁচীৰ ৰাণী লক্ষ্মীবাঈ)

ৰাওনা হয়। কল্পিত তাতীয় টোপী, ৰাও চাহেব আৰু বান্দৰ নৱাৱৰ সৈতে সহযোগ কৰি ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। যুদ্ধত সন্মিলিত ভাৰতীয় বাহিনী পৰাজিত হয়। ইয়াৰ পিছত পুনৰ সিন্ধিয়াৰ এক বাহিনী হস্তগত কৰি পুনৰ ব্ৰিটিছৰ বিৰুদ্ধে থিয় দিয়ে। হিউৰ'জৰ সৈতে হোৱা এখন যুদ্ধত ৰাণী আঘাটপ্ৰাপ্ত হয় আৰু পিছদিনা ফুলবাগৰ এটা নলাত তেওঁৰ মৃতদেহ পোৱা যায়। এওঁৰ মৃত্যুত বিদ্ৰোহীসকলৰ মনোবল ভাঙি পৰে। এই বিদ্ৰোহ নিষ্ফল হয় যদিও ইতিহাসৰ পাতত ৰাণী লক্ষ্মীবাঈৰ নাম চিৰযুগমীয়া হৈ ৰব।

**(ঘ) মণিৰাম দেৱানে ১৮৫৭ চনৰ বিদ্ৰোহত অসমত কি ভূমিকা গ্ৰহণ কৰিছিল, তাৰ এক চমু বিৱৰণ দিয়া।**

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহ অসমলৈ প্ৰসাৰিত কৰাত মুখ্য ভূমিকা পালন কৰা প্ৰধান নেতা আছিল মণিৰাম দেৱান।মণিৰাম দেৱানৰ ঘৰ আছিল শিৱসাগৰৰ চাৰিঙত। দেউতাক ৰামদত্তই আহোম ৰজাৰ আমোলত দোলা কাষৰীয়া বৰুৱাৰ পদ শুৱনি কৰিছিল। অসমত ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ কালত মণিৰাম দেৱান প্ৰথমে আছিল আৰু পাছলৈ যোৰহাটৰ চিৰস্তাদাৰ হৈছিল। ১৮৩৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পুৰন্দৰ সিংহক উজনি অসমৰ ৰজা পতাত মণিৰামে বৰভাণ্ডাৰ বৰুৱা অৰ্থাৎ বিত্তমন্ত্ৰীৰ বাব পাইছিল। তেওঁ পুৰন্দৰ সিংহৰ ৰাজপৰিয়ালৰ উপদেষ্টা স্বৰূপ আছিল।

মণিৰাম দেৱান এজন বিচক্ষণ অসমীয়া লোক আছিল। মণিৰাম দেৱানক ভাৰতৰ স্বাধীনতা আন্দোলনৰ আগভাগৰ এজন আগৰণুৱা বুলি ক'ব পাৰি। তেওঁ দেশৰ বাবে জীৱন আহুতি দিছিল। ১৮৫৩ খ্ৰীষ্টাব্দত কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰক মিঃ মোফাট

মিলচ্ চাহাব অসমলৈ আহিছিল। তেতিয়া মণিৰাম দেৱানে অসমত ইংৰাজ শাসনৰ কুফলবিলাকৰ বিৱৰণ দি অসমৰ শাসনভাৰ পুনৰ এজন আহোম কোঁৱৰক দিবলৈ

আবেদন কৰিছিল। আবেদনত তেওঁ নিজস্ব অভাৱ-অভিযোগ আৰু যু'বৰাজ কন্দৰ্পেশ্বৰ সিংহৰ স্বপক্ষে সহানুভূতি বিচাৰিছিল ; কিন্তু মিলচ চাহাবে মণিৰাম দেৱানৰ আবেদনত কোনো গুৰুত্ব নিদিলে। তেতিয়া মণিৰাম দেৱানে ইষ্ট-ইণ্ডিয়া কোম্পানী কৰ্তৃপক্ষক লগ ধৰিবলৈ কলিকতালৈ যায়। মণিৰাম দেৱানৰ সেই চেষ্টাও বিফল হয়। সেই সময়তে ভাৰতত ১৮৫৭ খ্ৰীষ্টাব্দত চিপাহী বিদ্ৰোহ আৰম্ভ হয়। বিদ্ৰোহীসকলে মোগল ৰাজবংশৰ দ্বিতীয় বাহাদুৰ চাহক ভাৰতৰ সম্ৰাট স্বীকাৰ কৰা বুলি জানি মণিৰামে অসমত তেনে। বিদ্ৰোহ কৰিবলৈ ঠিক কৰে। তেওঁৰ উদ্দেশ্য আছিল ইংৰাজক খেদি কন্দৰ্পেৰ্শ্বৰ সিংহক অসমৰ ৰজা পাতে। কলিকতাৰপৰা গোপনে গুচি আহি যোৰহাটত থকা কন্দপেশ্বৰ সিংহ আৰু কেইবাজনো নিৰ্দিষ্ট ব্যক্তিৰ লগত যোগাযোগ কৰে। সেইসময়ত উজনি অসমত থকা চিপাহীবিলাকৰ মাজতে বিদ্ৰোহৰ ভাৱ জাগি উঠিছিল।



(বিদ্ৰোহী সৈন্য)

চিপাহীবিলাকৰ লগত কেইজনমান ব্যাক্তিয়ে কথা-বতৰা চলাই একেলগে বিদ্ৰোহ কৰি কন্দপেশ্বৰক ৰজা পাতিবলৈ পৰিকল্পনা কৰিছিল। পিয়লী বৰুৱা, মড়ঙ্গী খোৱা গোহাঁই, মায়াৰাম নাজিৰ, দুৰ্তিৰাম বৰুৱা, বাহাদুৰ গাওঁবুঢ়া, ছে ফমুদ আলি আৰু মণিৰাম দেৱানে কলিকতাৰপৰা পঠোৱা মধু মল্লিক আদিয়ে কন্দপেশ্বৰ সিংহৰ ঘৰত গোপনে আলোচনা কৰিছিল।

মণিৰামে যথাসময়ত তেওঁলোকৰ লগত যোগ দি আঁচনি কাৰ্যকৰী কৰাৰ কথা আছিল; কিন্তু এই ষড়যন্ত্ৰৰ কথা প্ৰচাৰ হৈ পৰাত শিৱসাগৰ জিলাৰ গৰাকী, কেপ্তেইন হলৰইড চাহাবে কন্দৰ্পেশ্বৰক বন্দী কৰে আৰু বিদ্ৰোহৰ লগত জড়িত আন ব্যক্তিসকলক আটক কৰে। কেইজনমান বিদ্ৰোহী চিপাহী বন্দী হয়। মণিৰামক বন্দী কৰি কলিকতাৰ আলিপুৰ জেইলত থয়। কন্দপেশ্বৰক বন্দী কৰি সেই জেইলতে ৰাখিছিল। তাৰ পিছত বিচাৰৰ বাবে মণিৰামক কলিকতাৰপৰা যোৰহাটলৈ অনা হৈছিল৷ হলৰইড চাহাবৰ বিশেষ আদালতত বিচাৰ কৰি মণিৰাম আৰু পিয়লিক ফাচীৰ হুকুম দিয়া হয় আৰু আন আন বিদ্ৰোহীবোৰক দ্বীপান্তৰৰ হুকুম দিয়া হয়। ১৮৫৮ খ্ৰীষ্টাব্দত ২৬ ফেব্ৰুৱাৰী তাৰিখে মণিৰাম আৰু পিয়লিক যোৰহাটত ফাঁচী দিয়া হৈছিল।

**(ঙ) ১৮৫৭ চনৰ বিদ্ৰোহৰ বিফলতাৰ কাৰণবোৰ চমুকৈ আলোচনা কৰা।**

**উত্তৰ :-** চিপাহী বিদ্ৰোহৰ বিফলতাৰ কাৰণ বহুত, তাৰ ভিতৰত তলত দিয়াবোৰ উল্লেখযোগ্য—

(১) বিদ্ৰোহীসকলৰ কোনো সমূহীয়া উদ্দেশ্য নাছিল। ফলত তেওঁলোক একগোট হৈ ইংৰাজৰ বিৰুদ্ধে থিয় দিব পৰা নাছিল।

(২) চিপাহীসকলে আধুনিক বিজ্ঞানৰ ওপৰত অলপো গুৰুত্ব আৰোপ কৰা নাছিল ; কিন্তু ইংৰাজসকলে ডাক-তাৰ আদিৰ সুবিধা গ্ৰহণ কৰিছিল। এইবোৰ বিভাগ তেওঁলোকৰ নিয়ন্ত্ৰিত থকাৰ ফলত তেওঁলোক বিভিন্ন ঠাইৰ পৰিস্থিতি অধ্যয়ন কৰি দৰকাৰ অনুযায়ী ব্যৱস্থা ল'ব পাৰিছিল। তাৰ ফলত চিপাহীবোৰক পৰাজয় কৰা সহজ হৈ পৰিছিল।

(৩) ইংৰাজে কিছুমান সামন্ত নেতাৰ সহায় পাইছিল। গতিকে তেওঁলোকে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহৈছিল।

(৪) চিপাহী বিদ্ৰোহ সমগ্ৰ ভাৰতবৰ্ষ জুৰি হোৱা নাছিল, সেইবাবে ইংৰাজসকলে বিদ্ৰোহৰ ক্ষেত্ৰবোৰত দৰকাৰমতে মনোযোগ দিব পাৰিছিল৷

(৫) বিদ্ৰোহীসকলে সমূহ ভাৰতীয় লোকৰপৰা সহায় সহযোগিতা পোৱা নাছিল। আনকি বহুতে ইংৰাজকহে সমৰ্থন কৰিছিল।

(৬) বিদ্ৰোহীসকলক উপযুক্ত নেতৃত্ব দিব পৰা লোক সেই সময়ত নাছিল। ঝান্সিৰ ৰাণী লক্ষ্মীবাঈৰ বাহিৰে আনবোৰ নেতাৰ ইংৰাজৰ লগত যুদ্ধ কৰিব পৰা যোগ্যতা নাছিল।

(৭) কেনিঙৰ সৈমান কৰোৱা নীতিৰ ফলত অনেক চিপাহী তেতিয়া ইংৰাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি আছিল। এইবোৰ কাৰণতে চিপাহী বিদ্ৰোহ বিফল হৈছিল।

**(চ) ১৮৫৭ চনৰ বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলন বুলি ভাবানে ? তোমাৰ নিজৰ যুক্তি আগবঢ়োৱা।**

**উত্তৰ :-** ১৮৫৭ চনৰ বিদ্ৰোহক কোনোৱে 'চিপাহী বিদ্ৰোহ', কোনোৱে 'গণ অভ্যুত্থান' নাম দিছে। এয়া যিয়েই নহওক ১৭৫৭ চনৰ পলাশীৰ যুদ্ধত নৱাব চিৰাজ-উদ-দৌলাক পৰাজিত কৰি ইংৰাজে ভাৰতত যি ৰাজত্বৰ খোপনি পুতিছিল তাৰ ঠিক এশ বছৰৰ পিছৰ বিদ্ৰোহ্ এটাই ব্ৰিটিছ চৰকাৰক কঁপাই তুলিছিল। কেবাটাও কাৰণত ১৮৫৭ চনৰ বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলন বা প্ৰথম জাতীয় বিপ্লৱ বুলি অভিহিত কৰিব পৰা যায়-

(ক) চিপাহী বিদ্ৰোহত চিপাহীসকলৰ লগত লক্ষ্মীবাঈ, নানা চাহেব, তান্তিয়া টোপী, বাহাদুৰ শ্বাহৰ দৰে ৰাজপৰিয়ালৰ লোকেও যোগদান কৰিছিল।

(খ) সমগ্ৰ ভাৰতবৰ্ষতে ক্ৰমান্বয়ে বিদ্ৰোহে গা কৰি উঠিছিল। আনকি অসমকো এই বিদ্ৰোহে চুইছিল।

(গ) চিপাহী বিদ্ৰোহত হিন্দু-মুছলমান উভয়ে সমানে যোগ দিছিল; অৰ্থাৎ কোনো সাম্প্ৰদায়িক পৰিসীমাৰ মাজত ই আবদ্ধ নাছিল।

(ঘ) কৃষক, বনুৱা আদিৰ দৰে লোকেও বিদ্ৰোহত হাত উজান দিছিল।

(ঙ) সুসংহত নেতৃত্ব আৰু আদৰ্শৰ অভাৱত বিদ্ৰোহ বিফল হ'লেও সকলোৱে সকলো ঠাইতে ইংৰাজ শাসনৰ অৱসান বিচাৰিছিল।

(চ) চিপাহী বিদ্ৰোহৰ ফলত ভাৰতবৰ্ষৰ শাসনভাৰ কোম্পানীৰ হাতৰপৰা ব্ৰিটিছ ৰাজমুকুটৰ অধীনলৈ যায়। ব্ৰিটিছ সংসদে ভাৰিবলৈ বাধ্য হৈছিল যে ইমান বিশাল দেশ এখনৰ কৰ্তৃত্ব এটা বাণিজ্যিক কোম্পানীৰ হাতত এৰি দিব নোৱাৰি।

(ছ) চিপাহী বিদ্ৰোহে ভাৰতৰ জনগণক ৰাজনৈতিকভাৱে সচতেন কৰি তুলিলে। ভাৰতত প্ৰথম জাতীয় চেতনাৰ উদ্ৰেক ঘটিল। আটায়ে ব্ৰিটিছ শাসন ওফৰাবলৈ এক সমূহীয়া কাৰ্যপন্থা ল'বলৈ আগবাঢ়ি আহিল। এনেবোৰ কাৰণতে চিপাহী বিদ্ৰোহক ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা আন্দোলন নাম দিব পাৰি।

অৱশ্যে, চিপাহী বিদ্ৰোহ ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা সংগ্ৰাম হয়নে নহয় এই বিষয়ে বিভিন্ন ঐতিহাসিকসকলৰ মাজত মতভেদ আছে। কিছুমানে ইয়াক ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা আন্দোলন বুলি আখ্যা দিয়ে। আন কিছুমানৰ মতে ই স্বাধীনতা সংগ্ৰাম নহয়, চিপাহীসকলৰ মাজত হোৱা বিদ্ৰোহহে। জৱাহৰলাল নেহেৰুৰ মতে, ই হৈছে সামন্ত বিদ্ৰোহ। চিপাহী বিদ্ৰোহ সুসংগঠিত জাতীয় আন্দোলন নাছিল।

গতিকে প্ৰকৃত অৰ্থত ইয়াক স্বাধীনতা সংগ্ৰাম আখ্যা দিব নোৱাৰি। কিছুমান অসন্তুষ্ট ৰজা-জমিদাৰে এই বিদ্ৰোহৰ সুযোগ লৈ তেওঁলোকৰ হেৰুৱা সন্মান আৰু সম্পদ ঘূৰাই অনাৰ কাৰণে চেষ্টা কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষতে এই বিদ্ৰোহ বিয়পি পৰা নাছিল। আনহাতে সকলোবোৰ ভাৰতীয় লোক, ৰজা আৰু জমিদাৰে এই বিদ্ৰোহত যোগদান কৰা নাছিল। অধিক সংখ্যক লোক, ৰজা আৰু জমিদাৰে বিদ্ৰোহীসকলৰ বিৰুদ্ধে ইংৰাজক সহায় কৰিছিল। বিদ্ৰোহীসকলৰ মাজৰ কোনো উমৈহতীয়া উদ্দেশ্যও নাছিল। ভাৰতবৰ্ষৰপৰা ইংৰাজক খেদি পঠিওৱা ওই বিদ্ৰোহৰ ঘাই উদ্দেশ্য আছিল। গতিকে ইয়াক প্ৰকৃত

স্বাধীনতা সংগ্ৰাম বা আন্দোলন বুলি আখ্যা দিব নোৱাৰি কিন্তু এই বিদ্ৰোহৰ পিছৰপৰাই স্বাধীনতা আন্দোলন গঢ়ি উঠিছিল।

সেইবাবে বহুতে এই বিদ্ৰোহক স্বাধীনতা আন্দোলনৰ প্ৰথম পৰ্যায় বুলি ধাৰণা কৰে৷ এই বিদ্ৰোহৰ পিচৰপৰাই ইংৰাজৰ প্ৰতি ভাৰতীয় মানুহৰ বিৰূপ ভাৱৰ সৃষ্টি হয়। ভাৰতৰ প্ৰায় সকলো ঠাইতে চিপাহী বিদ্ৰোহৰপৰাই জন-জাগৰণ আৰু জাতীয় আন্দোলন হয়। সেইবাবে চিপাহী বিদ্ৰো◌েহক কিছুমানে স্বাধীনতা সংগ্ৰামৰ আৰম্ভণি বুলি মন্তব্য কৰে।